**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-07-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে নথি পৰীক্ষণৰ তৃতীয়খন তালিকা কালি প্ৰকাশ কৰে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি তালিকাত নাম অন্তৰ্ভুক্ত হোৱা প্ৰাৰ্থীসকলৰ বাবে কাইলৈৰ পৰা ১০ জুলাইলৈ খানাপাৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অতিথিশালাত নথি পৰীক্ষণ কৰা হ'ব। প্ৰাৰ্থীসকলক যাৱতীয় শৈক্ষিক অৰ্হতাৰ প্ৰমাণপত্ৰসহ নথী পৰীক্ষণৰ বাবে উপস্থিত থাকিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে বৰ্তমান দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ কৰি থকা হৈছে।

০০০০০০০

সাংসদ গৌৰৱ গগৈয়ে ক'ভিদ মহামাৰীৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে'লৱেই ষ্টপেজ প্ৰত্যাহাৰ কৰা সকলোবোৰ যাত্ৰীবাহী ৰে'লগাড়ীৰ পূৰ্বৰ অৱস্থা বাহাল কৰিবলৈ ৰে'ল ব'ৰ্ডক আহ্বান জনাইছে। ৰে'ল ব'ৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰলৈ লিখা এখন পত্ৰত সাংসদগৰাকীয়ে ডিব্ৰুগড় টাউন ৰে'ল ষ্টেচনটোক অমৃত ভাৰত ৰে'ল ষ্টেচন আঁচনিৰ অন্তৰ্ভুক্ত কৰি ইয়াক পুনৰ বিকশিত কৰিবলৈ ৰে'ল ব'ৰ্ডক অনুৰোধ জনাইছে। সাংসদগৰাকীয়ে চৰাইদেউ জিলাৰ লংপতীয়া আৰু ডিব্ৰুগড় জিলাৰ ডুমডুমা ৰে'ল ষ্টেচন দুটা পুনৰ মুকলি কৰা, ধামাল গাঁও ৰে'ল ষ্টেচনক টাৰ্মিনেল ষ্টেচনৰূপে বিকশিত কৰা আৰু পদসেতু আৰু ৰেম্প নথকা ষ্টেচনসমূহত অনতিপলমে এই সুবিধাসমূহ উপলব্ধ কৰোৱাকে ধৰি অঞ্চলটোত আন্তঃগাঁথনি খণ্ডৰ বিকাশৰ বাবে কেইবাটাও প্ৰস্তাৱ আগবঢ়ায়। সাংসদগৰাকীয়ে ব্ৰহ্মপুত্ৰ মেইলক কামাখ্যাৰ পৰিৱৰ্তে পুনৰ ডিব্ৰুগড়ৰ পৰা চলাবলৈ, নিউ তিনিচুকীয়াৰ পৰা ৰঙাপৰা হৈ ধুবুৰীলৈ পুনৰ এক্সপ্ৰেছ ৰে'লগাড়ী প্ৰৱৰ্তন, বেদেতী, বৰগাং আৰু মুনাবাৰী ষ্টেচনত ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা, নামতি আৰু নাজিৰাত নাগালেণ্ড এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা, যোৰহাট জিলাৰ হোলক গিবন অভয়াৰণ্যত ৰছী দলঙৰ ব্যৱস্থা অধিক শক্তিশালী কৰা, গুৱাহাটী আৰু ডিব্ৰুগড় আৰু গুৱাহাটী আৰু শিলচৰৰ মাজত বন্দে ভাৰত এক্সপ্ৰেছ প্ৰৱৰ্তন কৰাকে ধৰি আন কেইবাটাও দাবী শীঘ্ৰেই কাৰ্যকৰী কৰাৰ বাবে ৰে'ল ব'ৰ্ডৰ অধ্যক্ষগৰাকীক অনুৰোধ জনায়।

০০০০০০০

লখিমপুৰ জিলাত কালি পুৱাৰেপৰা চলোৱা বৃহৎ উচ্ছেদ অভিযানত ২৮৮ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়। দেবেৰা দলনি, খ্ৰীষ্টান গাঁও আৰু ফুকনৰ হাট নামৰ গাঁও তিনিখনত অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬-ৰ পত্ৰণ বিধিৰ অধীনত উচ্ছেদ চলোৱা হয়। অঞ্চলকেইটাত অবৈধভাৱে বসবাস কৰা ২১৮ টা পৰিয়াললৈ প্ৰশাসনে ইতিমধ্যে ২৬ জুনৰ ভিতৰতে অঞ্চলসমূহ খালী কৰি দিবলৈ জাননী জাৰি কৰিছিল যদিও দখলকাৰীসকলে প্ৰশাসনৰ জাননীৰ প্ৰতি সঁহাৰি জনোৱা নাছিল।

০০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বিলুপ্তপ্ৰায় ৰাং কুকুৰৰ সন্ধান পোৱা গৈছে। কাৰ্বি আংলঙৰ আমগুৰি এনিমেল কৰিডৰত স্থাপন কৰা কেমেৰাত ৰাং কুকুৰৰ বিচৰণৰ দৃশ্য বন্দী হৈছে। বিগত প্ৰায় তিনি বছৰে কাজিৰঙাত ৰাং কুকুৰৰ উপস্থিতিৰ বাবে পৰ্যবেক্ষণ আৰু পৰীক্ষা-নীৰিক্ষা চলাই থকাৰ অন্তত উদ্যানখনত ৰাং কুকুৰৰ অৱস্থিতিৰ তথ্য পোৱা গৈছে। সমগ্ৰ বিশ্বত মূলতঃ দুই প্ৰকাৰৰহে ৰাং কুকুৰ পোৱা যায়। এটা প্ৰজাতিৰ ৰাং কুকুৰ এছিয়াত আৰু আনটো প্ৰজাতি দক্ষিণ আফ্ৰিকাত পোৱা যায়। কিছুদিন পূৰ্বে এগৰাকী পৰিৱেশ কৰ্মীয়ে মানস ৰাষ্ট্ৰীয় উদ্যানতো ৰাং কুকুৰৰ অৱস্থিতি লক্ষ্য কৰিছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে কাজিৰঙাত ৰাং কুকুৰৰ উপস্থিতিৰ তথ্য আলোকচিত্ৰসহ প্ৰকাশ কৰে।

০০০০০০০

কেইবাদিন ধৰি হৈ থকা বৰষুণৰ ফলত অসম-নাগালেণ্ড সীমান্তৱৰ্তী গেলেকীৰ বিস্তীৰ্ণ অঞ্চল বানৰ কৱলত পৰিছে। নগা পাহাৰৰ পৰা প্ৰৱাহিত নামদাং, দৈ-খনা, দিচৈ, ডেঙ্গি আদি উপনৈসমূহৰ জলস্তৰ বৃদ্ধি হোৱাৰ বাবে গেলেকীৰ নচুক, নআলি, বামুণগাঁও, ৰঙাগড়া, চপৰীয়া, মৰাণগাঁও, কছাৰী, তল মৰাণগাঁও, ওপৰ নামচাই, চৰাইসজীয়া, নমাটি, কাটনিপাৰ, বনুৱা আদি অঞ্চল বানত বুৰ গৈছে। বানৰ ফলত গেলেকীৰ এই বৃহত্তৰ অঞ্চলত খোৱাপানীকে ধৰি খাদ্য সমস্যাই দেখা দিছে। বন্যাক্ৰান্ত পৰিয়ালসমূহক সকাহ প্ৰদানৰ বাবে প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ দংকামোকামত যোৱা নিশা বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী চিকিৎসকৰ মৃত্যু হয়। কালি সন্ধিয়া প্ৰবল বৰষুণ আৰু বিজুলী-ঢেৰেকনীৰ বাবে ইনভাৰ্টাৰ সংযোগ বিচ্ছিন্ন কৰিবলৈ যোৱাৰ সময়তে বিদ্যুৎ পৰিবাহী ছকেটত লাগি চিকিৎসকগৰাকীৰ থিতাতে মৃত্যু হয়। মৃত ৰূপলিন ৰংপিপি নামৰ চিকিৎসকগৰাকী ওমপানাই খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ অন্তৰ্গত অতি দুৰ্গম অঞ্চল ক্ৰকেংদাঙত সমূহীয়া চিকিৎসা বিষয়া হিচাপে কৰ্মৰত আছিল।

ইপিনে কালি বিজুলী-ঢেৰেকনীত বৈথালাংছোৰ পুঞ্জা গাঁৱৰ ভালেকইগৰাকী লোক গুৰুতৰভাৱে আহত হোৱা বুলি আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনাইছে।

০০০০০০০

মধ্য যোৰহাট আৰু উত্তৰ-পশ্চিম যোৰহাট সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ উদ্যোগত কালি যোৰহাট বিধানসভা সমষ্টিৰ অধীনৰ অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাসকলৰ মাজত ম'বাইল ফোন বিতৰণ কৰা হয়। অনুষ্ঠানত যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰয় আৰু জিলা সমাজকল্যাণ বিষয়া যতিশ বৰুৱা উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**